## 3 (Sem–1) ASM

Chandra Dev Goswami Library
Acc. No.............
Date...............
Girls' College

## 2 0 1 6

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

চমু উত্তৰ লিখা : ১×৭=৭

(ক) 'তেজৰে কমলাপতি' নামৰ বৰগীতটোৰ ৰাগটোৰ নাম লিখা।

(খ) কমলাকান্ত ভট্টাচাৰ্য্য কোন যুগৰ কবি ?

(গ) অসমীয়া সাহিত্যৰ প্ৰথম ৰোমাণ্টিক কবিতাটিৰ নাম কি ?

(ঘ) কবি অমূল্য বৰুৱাৰ কাব্যগ্ৰন্থখনৰ নাম কি ?

(ঙ) "মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো
গানৰ মোৰ দেশ।"

কাব্যাংশটো কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে, লিখা।

(চ) মহাপুৰুষ শংকৰদেৱৰ জন্ম কোন চনত হৈছিল ?

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত কাব্যপুথিখনৰ নাম কি ?

Chandra Dev Goswami ... Acc. No. ... Date

চমু উত্তৰ লিখা : ২×৪=৮

(ক) চন্দ্ৰকুমাৰ আগৰৱালাৰ দুখনি কাব্যগ্ৰন্থৰ নাম লিখা।

(খ) "তাৰাৰ মধ্যত শোভৈ আকাশত
অখণ্ড মণ্ডল শশী।"

কবিতাংশত 'তাৰা' আৰু 'অখণ্ড মণ্ডল শশী' বুলি কাৰ কাৰ কথা কোৱা হৈছে?

(গ) 'গড়া কবি মোক ঝাড়ুদাৰ' কবিতাটিত ঝাড়ুদাৰ বুলি কাক কৈছে, লিখা।

(ঘ) অসমীয়া বৈষ্ণৱ সাহিত্যৰ দুগৰাকী কাব্য ৰচকৰ নাম লিখা।

প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ডোভাৰ জলত সূৰ্য্যৰ তাপত
কমাৰৈ মৎস্য অপাৰ।
যেন মহা দুখী কুটুম্বি মনুষ্যে
দুখৰ নেদেখে পাৰ॥

(খ) কুশিক্ষিত আজি ভাৰত-সন্তানে
পঢ়িবলৈ এই বুৰঞ্জী-আখৰ;
নিচিনে আপোন পৰক শলাগে
ই যেন দুৰ্ভাগ্য হায় ভাৰতৰ।

(গ) গুজৰিছিলনে সভ্যতাৰ গপে
এতিয়াৰ দৰে খলক কৰি
সিজাতি আছিলনে শিল্প নৈপুণ্যত
ইহঁতৰ দৰে বৰ অহংকাৰী॥

*(Continued)*



) মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগৰ টোপনি যোৱা॥

ম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

) ৰোমাণ্টিক কবিতাৰ প্ৰধান লক্ষণকেইটাৰ উল্লেখ কৰি 'মালতী' কবিতাত সেই লক্ষণবোৰ কেনেদৰে অন্তৰ্নিহিত হৈ আছে, বিচাৰ কৰা।

) সাম্প্ৰতিক কবিতাশৈলীৰ প্ৰধান বিশেষত্বসমূহ দাঙি ধৰি 'মোৰ দেশ' কবিতাত সেই বিশেষত্ববোৰ কিমানদূৰ প্ৰতিফলিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

) 'পাহৰণি' কবিতাটোত কমলাকান্ত ভট্টাচাৰ্যৰ স্বদেশানুৰাগ কিদৰে প্ৰতিবিম্বিত হৈছে, সম্যকভাৱে আলোচনা কৰা।

) 'তেজৰে কমলাপতি' বৰগীতটোত মাধৱদেৱৰ বৰগীতৰ কি কি বৈশিষ্ট্য পৰিস্ফুট হৈছে, লিখা।

) 'গড়া কবি মোক ঝাড়ুদাৰ' কবিতাটোত বিপ্লৱৰ মাজেৰে সংস্কাৰ-সাধনৰ মনোভাৱ কবিয়ে কিদৰে প্ৰকটিত কৰিছে, যথাৰ্থভাৱে আলোচনা কৰা।

) শংকৰদেৱে কি কি উপমাৰে শৰৎকালৰ মহত্ব বৰ্ণনা কৰিছে, তোমাৰ নিজৰ ভাষাত লিখা।

★★★